# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - - -**

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বৰ্তমানলৈকে ১৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

২। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধন। কাঠৰ পুতলা নিৰ্মাণ শিল্প প্ৰশিক্ষণৰ বাবে ৫০ দিনীয়া গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচী ঘোষণা।

৩। ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ে প্ৰস্তুত কৰা বিশ্বৰ শীৰ্ষ ২ শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঁচগৰাকী অধ্যাপকৰ নাম অন্তৰ্ভুক্ত। ***আৰু***

৪। পুণেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডৰ প্ৰথম ইনিংছত ২৫৯ ৰাণ সংগ্ৰহ। ইপিনে আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া মহিলাৰ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক জয়ৰ বাবে ভাৰতৰ ২২৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি ৯গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াকে লৈ এই পৰ্যন্ত ১৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিলে। কাইলৈ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল অন্তিম দিন।

ছিদলী বিধানসভা সমষ্টিত আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই মিত্ৰজোঁটৰ কেইবাজনো নেতাৰ উপস্থিতিত কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়নপত্ৰ দাখিল কৰে।

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে দলৰ কেইবাগৰাকীও সাংসদ, বিধায়ক তথা জ্যেষ্ঠ নেতাৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনে আজি মনোননয় পত্ৰ দাখিল কৰে। চামগুৰি বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত দলৰ সাংসদদ্বয় গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু বিধায়ক দেৱব্ৰত শইকীয়া উপস্থিত থাকে। **(ভইচ কাষ্ট)**

০০০০০

ৰাজ্যৰ উপ-নিৰ্বাচনৰ বাবে অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থিত্বক লৈ যোৱা দুদিন ধৰি অব্যাহত থকা উৎকণ্ঠাৰ অৱসান ঘটাই আজি বিহালী আসনখনৰ বাবে কংগ্ৰেছ দলে প্ৰাৰ্থী ঘোষণা কৰে। দলে এই আসনখনৰ

বাবে জয়ন্ত বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। প্ৰথমে এই আসনখন অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থীক প্ৰদান কৰাৰ কথা আছিল যদিও শেষ মুহূৰ্তত কংগ্ৰেছে দলীয় প্ৰাৰ্থীক আসন প্ৰদান কৰে।

আনহাতে, অসম সন্মিলিত মৰ্চাৰ সভাপতি হিচাপে আজি অজিত কুমাৰ ভূএগ্ৰাৰ নাম ঘোষণা কৰা হয়। সভাপতিৰ দায়িত্ব হিচাপে দায়িত্ব গ্ৰহণ কৰি শ্ৰীভূঞাই কয় যে কংগ্ৰেছে নিজৰ স্বৰূপ উদঙাই দেখুৱাইছে। অসম সন্মিলিত মৰ্চাই ৰাজ্যত বিৰোধী ঐক্যক সুৰক্ষিত কৰাৰ স্বাৰ্থত কাম কৰি যাব বুলি তেওঁ উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজি উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হয়। মন্ত্ৰীগৰাকীয়ে আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লয়। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কাঠৰ পুতলা নিৰ্মাণ শিল্প প্ৰশিক্ষণৰ বাবে ৫০ দিনীয়া গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয় যে, বস্ত্ৰশিল্প মন্ত্ৰালয়ৰ অধীনত গ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীৰ অধীনত ৩০ গৰাকীকৈ স্থানীয় শিল্পীৰ দক্ষতা বিকাশ কৰি তেওঁলোকক শিল্পী কাৰ্ড প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি লোৱা হ'ব। আজিৰ পৰা ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, কেশৱ মহন্ত, উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট সমিতিয়ে আজি যোগাযোগ ব্যৱস্থা উন্নীতকৰণ, যাত্ৰা সুচল কৰি তোলা আৰু পৰিবহণ ব্যয় হ্ৰাস কৰাৰ লক্ষ্যৰে ৬ হাজাৰ ৭৯৮ কোটি টকাৰ দুটা ৰে'ল প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰকল্পৰ দ্বাৰা উত্তৰ প্ৰদেশ আৰু বিহাৰৰ লগতে উত্তৰ পূৰ্বাঞ্চল আৰু সীমান্ত অঞ্চলত ৰে'ল যোগাযোগ উন্নত হ'ব বুলি আশা কৰা হৈছে। এই প্ৰকল্পৰ অধীনত উত্তৰ বিহাৰত ২৫৬ কিলোমিটাৰ ৰে'লপথ দ্বৈতকৰণতো অনুমোদন জনোৱা হৈছে। এই প্ৰকল্পসমূহে ১০৬ লাখ কৰ্মদিন সৃষ্টিৰে প্ৰত্যক্ষ নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে।

**-বাইট-**

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অহা ২৭ অক্টোবৰত গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

ooooo

ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ে প্ৰস্তুত কৰা বিশ্বৰ শীৰ্ষ ২ শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঁচগৰাকী অধ্যাপকৰ নাম অন্তৰ্ভুক্ত হৈছে। বিভিন্ন মাপকাঠিৰ ভিত্তিত প্ৰস্তুত কৰা এই তালিকাত ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক প্ৰদীপ কুমাৰ ফুকন আৰু একে বিভাগৰে প্ৰাক্তন অধ্যাপক কৃষ্ণগোপাল ভট্টাচাৰ্য আৰু সহযোগী অধ্যাপক ড০ ৰঞ্জিত ঠাকুৰীয়াৰ নাম সন্নিৱিষ্ট হৈছে। আনহাতে, গণিত বিভাগৰ অধ্যাপক বিপন হাজৰিকা আৰু উদ্ভিদ বিভাগৰ প্ৰাক্তন সহকাৰী অধ্যাপক ড০ অৰবিন্দ ঘোষৰ নামও এই তালিকাত আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ননীগোপাল মহন্তই অধ্যাপকসকলক এই সাফল্যৰ বাবে অভিনন্দন জনাই ভৱিষ্যতে এই সংখ্যা বৃদ্ধি কৰাৰ বাবে বিশ্ববিদ্যালয়খনৰ সমূহ শিক্ষক তথা গৱেষক ছাত্ৰ-ছাত্ৰীক গৱেষণামূলক কামত মনোনিবেশ কৰিবলৈ আহ্বান জনায়।

০০০০০

অহা ২৭ অক্টোবৰ দেওবাৰে হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ চতুৰ্থ বৰ্গৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি প্ৰতিখন জিলাৰ প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে, এই পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। পৰীক্ষাৰ্থীসকলৰ যাতায়াতৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ উত্তৰ-পূব সীমান্ত ৰে'লৱে সেইদিনা বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ড০ শৰ্মাই লগতে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ বাবে আগতীয়াকৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

গুৱাহাটী মহানগৰীৰ কেইবাটাও স্থানত ডকাইতিৰ ঘটনা সংঘটিত কৰাৰ অভিযোগত আজি মহানগৰ আৰক্ষীয়ে এটা ডকাইতৰ দলৰ ৭টা সদস্যক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গণেশগুৰি আৰু ধুবুৰীৰ বিলাসীপাৰাত অভিযান চলাই এই লোককেইজনক গ্ৰেপ্তাৰ কৰাৰ লগতে চাৰে ৪ লাখ টকাৰো অধিক নগদ ধন, ১১০টা পুৰণি মুদ্ৰাকে ধৰি অন্যান্য সামগ্ৰী জব্দ কৰিছে। উল্লেখযোগ্য যে কালি মহানগৰীৰ দ্বাৰকা নগৰত এটা পৰিয়ালক ডকাইতৰ দলে লুটপাট চলোৱাৰ উপৰি অন্য স্থানতো এনে ঘটনা সংঘটিত হোৱা তথ্য আৰক্ষীয়ে লাভ কৰিছিল।

০০০০০

অসম চৰকাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ আনন্দ উদযাপনৰ বাবে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ পৰামৰ্শমৰ্মে প্ৰতিখন জিলাতে এই সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বৰেণ্য সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উপৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এই উপলক্ষে এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ আয়ুক্তই ভাষা গৌৰৱ সপ্তাহ নিয়াৰিকৈ পালন কৰাৰ বাবে আহ্বান জনায়। জিলা প্ৰশাসনৰ উদ্যোগত ৩ নৱেম্বৰত এই সপ্তাহ উদযাপনৰ বিপৰীতে সপ্তাহটোৰ অন্য দিনকেইটাত বিদ্যালয়, মহাবিদ্যালয়, সাহিত্যানুষ্ঠান, ক্ৰীড়া তথা যুৱ সংঘ, আত্মসহায়ক গোট আদিক নিজৰ সুবিধা অনুযায়ী ভাষা গৌৰৱ সপ্তাহ পালন কৰিবলৈ কোৱা হৈছে। অনুষ্ঠানসমূহৰ ৰাজ্য চৰকাৰৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ ধন্যবাদসূচক পত্ৰ প্ৰেৰণৰ বাবেও আহ্বান জনোৱা হৈছে।

গোলাঘাট জিলাৰ দক্ষিণ খণ্ড উন্নয়নৰ বিষয়াৰ প্ৰেক্ষাগৃহত আজি ভাষা গৌৰৱ সপ্তাহ উদযাপন সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগতে খণ্ড উন্নয়ন বিষয়া তথা অন্যান্য চৰকাৰী বিষয়া উপস্থিত থাকে। **(ভইচ কাষ্ট)**

০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ ডানাৰ প্ৰভাৱত অসমত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা মতে আজি নিশা বা কাইলৈ নিচেই পুৱা এই বতাহজাকে ওড়িশাৰ উপকূলত খুন্দা মৰাৰ সম্ভাৱনা আছে। বিভাগে বতাহজাক প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বলিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে।

ঘূৰ্ণীবতাহৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নৌসেনা বাহিনীয়ে ওড়িশা আৰু পশ্চিমবংগৰ উপকূলত প্ৰয়োজনীয় সাহায্য প্ৰদানৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে এটা বিজ্ঞপ্তিত জানিবলৈ দিয়া অনুসৰি প্ৰস্তুতিৰ অংশ হিচাপে ঘূৰ্ণী বতাহ প্ৰভাৱিত অঞ্চলসমূহত প্ৰয়োজনীয় বস্ত্ৰ, খোৱাপানী, খাদ্য সামগ্ৰী, ঔষধ আৰু জৰুৰীকালীন সাহায্য সামগ্ৰী প্ৰদানৰ বাবে বিশেষ গোটক সাজু কৰি ৰখা হৈছে। তদুপৰি প্ৰয়োজন অনুসৰি উদ্ধাৰ আৰু সাহায্য অভিযান চলোৱাৰ বাবে ডুবাৰু দল আৰু দুয়োখন ৰাজ্যৰ উপকূলত দুখন জাহাজ সাজু কৰি ৰখা হৈছে।

০০০০০

মিছন বসুন্ধৰা তৃতীয় পৰ্যায় ৰূপায়ণ সন্দৰ্ভত আজি ধুবুৰী জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই কয় যে, সজাগতাৰ অভাৱৰ বাবেই বহু খিলঞ্জীয়া লোক এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈছে। জিলা প্ৰশাসনে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰা ৰূপায়ণৰ বাবে সম-জিলাসমূহকে ধৰি বিভিন্ন পৰ্যায়ত আবেদন গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, সম্প্ৰতি এই আঁচনিৰ অধীনস্থ সেৱাসমূহ সেৱা সেতু পʼৰ্টেলত উপলব্ধ হৈছে। দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন বাতিল হোৱা নাইবা ওজৰ-আপত্তি নিষ্পত্তি নোহোৱা বিভিন্ন ব্যক্তি নাইবা বৈধ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ভূমি ডিজিটেল ব্যৱস্থাৰে বন্দৰস্তী, পূৰ্বে ভূ-দান, গ্ৰামদান আদি ব্যৱস্থাৰে লাভ কৰা ভূমিৰ বন্দৰস্তীকে ধৰি বিভিন্ন সুবিধা প্ৰদান কৰা হ'ব।

০০০০০

যোৰহাট জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে জলজীৱন মিছনৰ অধীনত পানী সংৰক্ষণৰ এটা কৌশল কেন্দ্ৰ আজি নিজ কাৰ্যালয়ৰ চৌহদত মুকলি কৰে। কেন্দ্ৰটো মুকলি কৰি অতিৰিক্ত আয়ুক্তই কয় যে, এই কেন্দ্ৰটোৰ জৰিয়তে জনসাধাৰণে পানী সংৰক্ষণৰ সহজ কৌশল আয়ত্ব কৰিব পাৰিব। ইয়াৰ জৰিয়তে জলসংকট দূৰ কৰাত সহায় হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

পুনেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি প্ৰথম দিনা নিউজিলেণ্ডে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৭টা উইকেট আৰু ৰবিচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। টছত জিকি প্ৰথমে বেটিং কৰা নিউজিলেণ্ডৰ হৈ ডেভন কনৱেই ৭৬ আৰু ৰাচিন ৰবিন্দ্ৰই ৬৫ ৰান কৰে। প্ৰথম দিনৰ খেলৰ সমাপ্তিত ভাৰতে ৰোহিত শৰ্মাৰ উইকেট হেৰুৱাই ১৬ ৰান সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে, বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিতহৈ ভাৰত শৃংখলাটোত ১-০ৰ ব্যৱধানত পিছ পৰি আছে।

ooooo

আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া মহিলাৰ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক জয়ৰ বাবে ২২৮ ৰানৰ লক্ষ্য বান্ধি দিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেটিং কৰি ৪৪ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৭ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ ছিফালী বাৰ্মাই ৩৩, য়াষ্টিকা ভাটিয়াই ৩৭ ৰান, জেমাইমা ৰ'ড্ৰিগজে ৩৫, তেজল হাছবনিছে ৪২ আৰু দিপ্তী শৰ্মাই ৪১ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ আমেলিয়া কেৰে ৪টা আৰু জেছ কেৰে ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈকে ২৪ অভাৰ ৪টা উইকেট হেৰুৱাই ৯৪ ৰান সংগ্ৰহ কৰি খেলি আছে।

ooooo

সমাপ্ত